NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 26-05-2026
**Time :** 1340 HRS.

*Assamese Midday Bulletin*

# HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিকিমত উপস্থিত হৈছে।

২। নতুন দিল্লীত অনুষ্ঠিত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সমুদ্ৰ পথৰ সুৰক্ষাকে ধৰি ভালেমান বিষয়ত সদস্য ৰাষ্ট্ৰসমূহ সহমতত উপনীত হৈছে।

৩। জম্মু-কাশ্মীৰৰ গুলমাৰ্গ গণ্ডোলা ৰ'পৱেত কাৰিকৰী বিজুতিৰ বাবে আবদ্ধ হৈ থকা সকলো পৰ্যটকক নিৰাপদে উদ্ধাৰ কৰা হৈছে।

৪। অসম বিধানসভাৰ অধিৱেশনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ লক্ষিমপুৰ বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক ২০২৬ সদনত উত্থাপন কৰে।

*আৰু*

৫। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু গুজৰাট টাইটানছৰ মাজত আজি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেল।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিকিমত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত ৰাজ্যপাল ওমপ্ৰকাশ মাথুৰ আৰু মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙকে ধৰি ৰাজ্যখনৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে আদৰণি জনায়। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ছিকিমৰ পৰিবহনৰ ক্ষেত্ৰখনত উন্নত সুৰক্ষা আৰু যোগাযোগ ব্যৱস্থাৰ সংযোজন ঘটাই কেৱল মহিলাৰ বাবে সুকীয়া গোলপীয়া বাছৰ প্ৰচল আনুষ্ঠানিকভাৱে মুকলি কৰিব। তদুপৰি তেওঁ ৰিড্‌জ পাৰ্কত অৱস্থিত অৰ্কিডেৰিয়াম পৰিদৰ্শন কৰি ছিকিমৰ সমৃদ্ধিশালী পাৰিপাৰ্শ্বিকতা তথা নানাৰঙী ফুলৰ সমৃদ্ধিশালী ঐতিহ্য প্ৰত্যক্ষ কৰিব। বিয়লিৰ ভাগত ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰাচীন পুথি আৰু বৌদ্ধ সাংস্কৃতিক শিল্পকৰ্ম সংৰক্ষণৰ বাবে জনাজাত নামগ্যাল ইনষ্টিটিউট অব টিবেট'ল'জী পৰিদৰ্শন কৰাৰো কথা আছে। কাইলৈ ভ্ৰমণৰ দ্বিতীয় দিনটোত শ্ৰীমতী মুৰ্মুৱে নাথুলা পাছ দৰ্শন কৰাৰ লগতে গেংটকত অৱস্থিত ছিকিম বিশ্ববিদ্যালয়ৰ সমৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভ্ৰমণসূচীৰ তৃতীয় তথা অন্তিমটো দিনত ৰাষ্ট্ৰপতিগৰাকীয়ে ছিকিম আৰক্ষীক ৰাষ্ট্ৰপতিয়ে নিচান প্ৰদান কৰিব। উল্লেখযোগ্য যে ইয়াৰ জৰিয়তে ছিকিম, দেশৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা এই সন্মান লাভ কৰা দেশৰ পঞ্চদশ ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ডঃ এছ্ জয়শংকৰৰ অধ্যক্ষতাত আজি নতুন দিল্লীত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ এখন বৈঠক  অনুষ্ঠিত হৈছে। অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱং, জাপানৰ বিদেশ মন্ত্ৰী টশ্বি মিটছু মটেগি আৰু আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক’ ৰুবিঅ’ই এই বৈঠকত অংশগ্ৰহণ কৰিছে।

আজিৰ এই বৈঠকত কোৱাডৰ সদস্য ৰাষ্ট্ৰসমূহ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সমুদ্ৰ পথৰ উমৈহতীয়া ব্যৱহাৰ সুচল কৰি ৰখাৰ হকে অঞ্চলটোৰ সুৰক্ষা ব্যৱস্থাৰ নিয়মীয়া নিৰীক্ষণৰ ক্ষেত্ৰত সহমতত উপনীত হয়। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত বিদেশ মন্ত্ৰী ডঃ জয়শংকৰে কয়, যে কোৱাড ৰাষ্ট্ৰগোষ্ঠীয়ে পৰৱৰ্তী সময়ত বিমানবন্দৰ সম্পৰ্কীয় আন্তঃগাঁথনিৰ স্বাৰ্থত এটা বিশেষজ্ঞ গোট গঠন কৰাৰ লগতে ফিজিত যৌথ সহযোগিতাৰে এটা পাইলট বিমানবন্দৰ প্ৰকল্প নিৰ্মাণ আৰু সাগৰৰ তলেৰে কেব্‌ল সংযোজনৰ বিষয়ে বিবেচনা কৰিব। তেওঁ লগতে QUAD Critical Minerals Frameworkৰ বিষয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰাটোক এই বৈঠকৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হিচাপে অভিহিত কৰে। আজিৰ বৈঠকতে কোৱাড ৰাষ্ট্ৰগোষ্ঠীয়ে ভাৰত-আমেৰিকা Critical Minerals Frameworkতো স্বাক্ষৰ লাভ কৰে। উল্লেখযোগ্য যে কোৱাড ৰাষ্ট্ৰগোষ্ঠীয়ে সমভাৱাপন্ন দেশসমূহৰ সৈতে এই ক্ষেত্ৰখনত একেলগে কাম কৰি আছে। প্ৰযুক্তি, ব্যৱস্থাপনা, আন্তঃৰাষ্ট্ৰীয় বজাৰ বিশ্লেষণ আৰু জৰুৰী সঁহাৰি ব্যৱস্থাৰ ক্ষেত্ৰত ভাৰত-প্ৰশান্ত মহাসাগৰীয় শক্তিৰ সুৰক্ষা বৃদ্ধি কৰাৰ সিদ্ধান্তৰ বিষয়েও কোৱাড ৰাষ্ট্ৰগোষ্ঠীয়ে আজি ঘোষণা কৰে।

বৈঠকত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকাৰ বিদেশ মন্ত্ৰী কেইগৰাকীয়েও আজিৰ এই বৈঠকক ফলপ্ৰসূ বুলি অভিহিত কৰিছে।

০০০০০০

জম্মু-কাশ্মীৰৰ গুলমাৰ্গ গণ্ডোলা ৰ’পৱেত কাৰিকৰী বিজুতিৰ বাবে আৱদ্ধ হৈ থকা সকলো পৰ্যটকক নিৰাপদে উদ্ধাৰ কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই উদ্ধাৰ কাৰ্যৰ সফলতাৰ কথা উল্লেখ কৰি কয়, যে এন ডি আৰ এফ, এছ্ ডি আৰ এফ, জম্মু আৰু কাশ্মীৰ আৰক্ষী, সেনাবাহিনীৰ চিনাৰ ক’ৰ্প্‌ছ আৰু স্থানীয় প্ৰশাসনে চলোৱা সমন্বিত উদ্ধাৰ অভিযানত সকলো পৰ্যটকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰা হয়। এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সমন্বিত উদ্ধাৰ অভিযান চলোৱা ভাৰতীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ প্ৰতিটো সংস্থাকে প্ৰশংসা কৰে। এই উদ্ধাৰ অভিযানত অংশগ্ৰহণ কৰা ভাৰতীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ কৰ্মীসকলৰ সাহস আৰু ত্যাগক সমগ্ৰ ৰাষ্ট্ৰই প্ৰশংসা কৰা বুলিও প্ৰকাশ কৰে। উল্লেখযোগ্য যে জম্মু-কাশ্মীৰৰ গুলমাৰ্গৰ এই গণ্ডোলা ৰ’পৱেৰ ৬৫টা কেবিনেটত ৩০০ৰো অধিক পৰ্যটক আৱদ্ধ হৈ পৰিছিল।

০০০০০০

**অসম বিধানসভাৰ আজি চতুৰ্থ দিনৰ কাৰ্যসূচীৰ আৰম্ভনিতে আজি মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মাই উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ২০২৬ সদনত উত্থাপন কৰে। ইয়াৰ পাছত ৰাজ্যপালৰ ভাষনৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।  মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মাই তেওৰ ভাষনত প্ৰথমে নৱ নিৰ্বাচিত বিধায়ক বিশেষকৈ যুৱ বিধায়কসকলক অভিনন্দন জনায়। তেওঁ বিধায়কসকলক জনসাধাৰনৰ আস্থা বজাই**

ৰাখি কাম কৰি যাবলৈ আহ্বান জনায়। ড. শৰ্মাই সংসদত ৰাষ্ট্ৰপতিৰ ভাষনৰ মৰ্যাদাৰ কথা উল্লেখ কৰি কয় যে সংসদৰ প্ৰতিগৰাকী সদস্যই ৰাষ্ট্ৰপতিৰ ভাষনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি শান্তিপূৰ্ণভাৱে তেওঁৰ ভাষন শুনে। অসমেও বিধানসভাৰ দৰে সাংবিধানিক অনুষ্ঠানৰ প্ৰতি একে সন্মান প্ৰদৰ্শনেৰে দেশবাসীৰ আগত সুস্থ নিদৰ্শন দাঙি ধৰিব পাৰে বুলি তেওঁ কয়। উল্লেখযোগ্য যে, কাইলৈ বিধানসভাৰ অধিৰেশনৰ অন্ত পৰিব।

০০০০০০

২০১৪ চনৰ আজিৰ দিনটোতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশ পৰিচালনাৰ দায়িত্ব লাভ কৰি বিগত ১২ বছৰে দেশক গতিশীল নেতৃত্ব প্ৰদান কৰি আহিছে। বিজেপিৰ সভাপতি নীতিন নবীনে আজিৰ দিনটো ঐতিহাসিক বুলি আখ্যা দি এই কথা প্ৰকাশ কৰে। এটা বাৰ্তাত সভাপতি শ্ৰী নবীনে কয়, যে বিগত ১২ বছৰৰ সু-প্ৰশাসন আৰু ৰাষ্ট্ৰপ্ৰথম নীতিয়ে ২০৪৭ চনৰ বিকশিত ভাৰতৰ ভেটি শক্তিশালী কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ভাৰত আজি সুৰক্ষিত। ভাৰতৰ সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ লগতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলাই আৰু সেনা বাহিনীৰ শক্তি বৃদ্ধিৰ জৰিয়তে দেশৰ নিৰাপত্তা সুনিশ্চিত কৰিছে।

বিজেপিৰ সভাপতিগৰাকীয়ে লগতে কয়, যে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস' তথা অন্ত্যোদয়াৰ নীতিৰে শ্ৰী মোদীয়ে চৰকাৰী নীতিক পৰিৱৰ্তনৰ আহিলা কৰি লৈছে। সভাপতিগৰাকীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ লগতে আধুনিক আন্তঃগাঁথনি নিৰ্মাণতো চৰকাৰে সফলতা লাভ কৰা বুলি প্ৰকাশ কৰে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নৰেন্দ্ৰ মোদী চৰকাৰৰ ১২ বছৰীয়া যাত্ৰাক দেশৰ সংস্কাৰ, সভ্যতা আৰু উন্নয়নৰ যাত্ৰা বুলি অভিহিত কৰিছে। এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ২০১৪ চনৰ আজিৰ দিনটোতেই শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। তেওঁ কয়, যে আন্তঃগাঁথনিৰ বিকাশ আৰু গোলকীয় নেতৃত্বৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকাৰে ভাৰতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

দেশৰ উন্নয়নৰ যাত্ৰাত প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীয়ে দেশৰ স্বাৰ্থত নিঃস্বাৰ্থভাৱে কাম কৰি আহিছে আৰু এই কথাই দেশৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰিছে। তেওঁ লগতে কয়, যে 'সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস'ৰ মন্ত্ৰ চৰকাৰৰ নীতি-নিৰ্ধাৰণ আৰু প্ৰশাসনৰ সকলো স্তৰতে প্ৰতিফলিত হৈছে। ইয়ে দেশক পূৰ্বতকৈ অধিক শক্তিশালী, গৌৰৱান্বিত আৰু আত্মবিশ্বাসী কৰি তুলিছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাজস্থানৰ ভাৰত পাকিস্তান আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ছাণ্ডু সীমান্তচকী পৰিদৰ্শন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে অঞ্চলটোত নিয়োজিত সীমান্ত নিৰাপত্তা বাহিনীৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰি দেশৰ সুৰক্ষাৰ প্ৰতি তেওঁলোকে আগবঢ়াই অহা নিষ্ঠাপূৰ্ণ সেৱাৰ শলাগ লয়। আজি আয়োজিত এটা অনুষ্ঠানত তেওঁ সীমামূৰীয়া গাঁওসমূহক শিক্ষা, পথ যোগাযোগ, বিদ্যুৎ সংযোগ আৰু কৰ্মসংস্থাপনৰ সুবিধাৰে সামৰি

ল'বলগীয়া Vibrant Villages Programme ৰ দ্বিতীয় পৰ্যায়ৰ ব্যৱস্থা ৰাজ্যখনৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ প্ৰতি আনুষ্ঠানিকভাৱে উৎসৰ্গা কৰে। এই অনুষ্ঠানত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা আৰু কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ সৈতে কেন্দ্ৰীয় গৃহসচিব গোবিন্দ মোহন আৰু চোৰাংচোৰা ব্যুৰোৰ মুৰববী তপন ডেকাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

অসম ভ্ৰমণলৈ অহা ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং ট'বগেই আজি গুৱাহাটীৰ নীলাচল পাহাৰ অৱস্থিত মা-কামাখ্যা মন্দিৰ দৰ্শন কৰে। কালিয়েই গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ভূটান আৰু উত্তৰ-পূব ভাৰত বিশেষকৈ অসমৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী আৰু সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বিষয়ে লোক ভৱনত হোৱা এখন বৈঠকত অসম আৰু ভূটানৰ উমৈহতীয়া স্বাৰ্থত দুয়োপক্ষৰ মাজত সহযোগিতা বৃদ্ধি আৰু সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে বহুকেইটা বিষয় সামৰি লোৱা হয়। চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণক লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ভাৰত আৰু ভূটানৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰতো অসমৰ ভূমিকা গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উপ-আঞ্চলিক সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ লগতে উত্তৰ-পূবত বিনিয়োগ আৰু বহনক্ষম উন্নয়নৰ বাবে নতুন সুযোগ মুকলি কৰিব বুলিও তেওঁ উল্লেখ কৰে।

দুয়োগৰাকী নেতাৰ মাজত হোৱা আলোচনাত ভৌগোলিক সীমা অতিক্ৰম কৰি সংযোগ বৃদ্ধি, বাণিজ্য, পৰ্যটন, সাংস্কৃতিক আদান-প্ৰদান আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক বৃদ্ধিৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। লগতে আলোচনাত জলবিদ্যুৎ, শিক্ষা, আন্তঃগাঁথনি আৰু সীমান্ত অঞ্চল উন্নয়নৰ দৰে খণ্ডত সহযোগিতাৰ বিষয়বোৰেও গুৰুত্ব লাভ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত আজি যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ধৰমশালাত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াভাৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিব। ইপিনে আজিৰ খেলখনত পৰাস্ত হোৱা দলটোৱে দ্বিতীয়খন কোৱালিফায়াৰ খেলৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ আন এটা সুযোগ পাব।

প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখন কাইলৈ মোহালীৰ নিউ চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত খেলোৱা হ'ব। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। কাইলৈৰ খেলখনত জয়ী হোৱা দলটো দ্বিতীয়খন কোৱালিফায়াৰত আজিৰ খেলত পৰাস্ত দলটোৰ মুখামুখি হ'ব। খেলখন অহা শুকুৰবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব। অৱশ্যে কাইলৈৰ খেলখনত পৰাস্ত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

উল্লেখযোগ্য যে ১৪ খন খেলৰ পৰা ১৮ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমটো দল হিচাপে এইবেলি প্লে অফত প্ৰৱেশ কৰিছিল। গ্ৰুপ পৰ্যায়ত গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদেও ১৮ পইণ্টকৈ অৰ্জন কৰিছিল যদিও উন্নত নেট ৰান ৰেটৰ ভিত্তিত বেংগালুৰুৱে তালিকাত প্ৰথম স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হয়। ইপিনে ১৬ পইণ্টেৰে ৰাজস্থানে চতুৰ্থ তথা প্লে অফৰ অন্তিমটো স্থান দখল কৰে।

oooooo

**সমাপ্ত**